# ECHO OF HIS CALL

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII YEAR OF OUR LORD JESUS CHRIST, SEPTEMBER 2022 No. 3


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক!

### উপদেশক ১৫ঃ২৩-৩৩

২৩। মানুহে নিজৰ মুখৰ উত্তৰত আনন্দ পায়, আৰু উচিত সময়ত কোৱা বাক্য কেনে উত্তম।

২৪। তলত থকা চিয়োলৰ পৰা আঁতৰ হ'বৰ নিমিত্তে জ্ঞানী লোকৰ জীৱনৰ পথ উৰ্দ্ধগামী।

২৫। যিহোৱাই অঙ্কাৰীবোৰৰ ঘৰ উচ্ছন্ন কৰে, কিন্তু বিধৱাৰ সীমা থিৰে ৰাখে।

২৬। যিহোৱাৰ আগত কুকল্পনাবোৰ ঘিণলগীয়া, কিন্তু সন্তোষজনক বাক্য শুচি।

২৭। লাভ আশা কৰোতাই নিজৰ পৰিয়ালক ক্লেশ দিয়ে, কিন্তু ভেটী ঘিণ কৰোতাজন কুশলে থাকে।

২৮। ধাৰ্মিকৰ মনে উত্তৰ দিবৰ নিমিত্তে চিন্তা কৰে; কিন্তু দুষ্টবোৰৰ মুখে হিংসা ঢালি দিয়ে।

২৯। যিহোৱা দুষ্টবোৰৰ পৰা দূৰৈত থাকে কিন্তু ধাৰ্মিকবিলাকৰ প্ৰাৰ্থনা শুনে।

৩০। চকুৰ প্ৰসন্নতাই মনক আনন্দিত কৰে; শুভবাৰ্তাই হাড়বোৰক মগজুৰে পূৰ কৰে।

৩১। যিজনৰ কাণে জীৱনদায়ক অনুযোগ শুনে, তেওঁ জ্ঞানীবিলাকৰ মাজত গণ্য হয়।

৩২। যিজনে শিক্ষা অগ্ৰাহ্য কৰে, তেওঁ নিজ প্ৰাণ তুচ্ছজ্ঞান কৰে, কিন্তু যিজনে অনুযোগ শুনে, তেওঁ বুদ্ধি উপাৰ্জন কৰে।

৩৩। যিহোৱা বিষয়ক ভয়েই প্ৰজ্ঞাৰ শিক্ষা, আৰু নম্ৰতা সন্মানৰ আগত যাওঁতা।

# ঈশ্বৰে আপোনাক তুলিব পাৰে !

# GOD CAN RAISE YOU AND LIFT YOU!


পালক এচ, চাম ছেলভা ৰাজ


**"ধূলিৰ পৰা দুখীয়াক, সাৰৰ দ'মৰ পৰা দীনহীনক তোলে" (গীতমালা ১১৩ঃ৮)**

## যিহোচূৱা কোন?

মোচিৰ মৃত্যুৰ পাছত তেওঁৰ ঠাইত যিহোচূৱা তেওঁবিলাকৰ চলাওতা হ'ল। "...যিহোৱাৰ দাস মোচিৰ মৃত্যুৰ পাছত যিহোৱাই মোচিৰ পৰিচাৰক নুনৰ পুত্ৰ, যিহোচুৱাক ক'লে, ... (যিহোচুৱা ১ঃ১)। "এই সকলো ঘটনাৰ পাছত যিহোৱাৰ দাস নুনৰ পুত্ৰ যিহোচুৱা এশ দহ বছৰ বয়সীয়া হৈ মৰিল" (যিহোচুৱা ২৪ঃ২৯)। এই প্ৰথম পদটিয়ে কয় যে যিহোচুৱা মোচিৰ এজন সহকাৰী পৰিচাৰক আছিল আৰু শেষৰ পদটিয়ে কয় যে তেওঁ ঈশ্বৰৰ দাস আছিল।

"ধূলিৰ পৰা দুখীয়াক সাৰৰ দ'মৰ পৰা দীনহীনক তোলে" (গীতমালা ১১৩ঃ৮)ঈশ্বৰে দুখী, দৰিদ্ৰ, অভাৱগ্ৰস্ত আৰু ৰোগীৰ বিষয়ে চিন্তা কৰে।

ঈশ্বৰে এজন মানুহক আন এজন মানুহৰ দাস হ'বলৈ দিয়ে আৰু পাছত তেওঁ তেওঁকেই নিজৰ দাস বনাই। যিহোচুৱাৰ প্ৰকৃত নাম হোচেয়া আছিল আৰু মোচিয়ে তেওঁৰ নাম যিহোচুৱা থ'লে। ইয়াৰ অৰ্থ 'ঈশ্বৰেই পৰিত্ৰাণ।' যিহোচুৱাৰ জীৱনৰ প্ৰকৃত লক্ষ্য হৈছে ঈশ্বৰে যি দেশ তেওঁবিলাকক দিম বুলি কৈছিল তাক উদ্ধাৰ কৰা। ঈশ্বৰে আশী বছৰীয়া মানুহজনক স্বৰ্গৰ চাবি আৰু ক্ষমতা দিছিল। যিহোচুৱা কোনো ধনী পৰিয়ালত জন্ম গ্ৰহণ কৰা নাছিল তেওঁ মিচৰৰ এজন চাকৰৰ ঘৰত জন্ম লৈছিল।

জ্বলি থকা গছ এজোপাৰ পৰা মোচিক নাম ধৰি মতা হৈছিল। যেতিয়া চৌলে দামাস্কাচলৈ গৈ আছিল, তেওঁক "হে চৌল, হে চৌল" বুলি মতা শুনিছিল। কিন্তু যিহোচুৱাক নাম লৈ মতা হোৱা নাছিল নতুবা তেওঁক কোনো দৰ্শন বা চিন দেখিছিল। তেওঁ বৃদ্ধ মানুহ মোচিৰ সহকাৰী পৰিচাৰক আছিল যিজনে প্ৰভু ঈশ্বৰৰ বিষয়ে যিহোচুৱাক শিক্ষা দিছিল। যিহোচুৱাই এজন বৃদ্ধ মানুহৰ দ্বাৰাই শুনি শক্তি পাইছিল।

আমি জানো যে প্ৰত্যেক ব্যক্তিলৈ আহ্বান বেলেগ বেলেগ ভাৱে হয়। কোনো


৩ পৃষ্ঠাত চাওঁক

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



(ECHO GROUP)

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Rev. Dr. K.R. Rajasekaran
Dr. A. Richard Samuel, M.A., Ph.D.

**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**CORE LEADERS**
Bro. K. Puratchivendan
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah

**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call


"ধাৰ্মিক লোক খেজুৰ গছৰ দৰে উজ্বলি উঠিব; লিবানোনৰ এৰচ গছৰ নিচিনাকৈ বাঢ়ি যাব" - (গীতমালা ৯২ঃ১২)

প্ৰভুত মোৰ প্ৰিয়লোকসকল,

"আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা অনুগ্ৰহ আৰু শান্তি কামনা কৰিলোঁ" (ফিলীমন ১ঃ৩)।প্ৰভুত আপুনি সু-স্বাস্থ্যত আৰু আনন্দত আছে বুলি বিশ্বাস কৰি, আমি প্ৰতিদিনে আপোনাৰ বাবে প্ৰভুলৈ প্ৰাৰ্থনা কৰি আছো যাতে তেওঁ আপোনাক আশীৰ্বাদ কৰিব আৰু ৰক্ষা কৰিব। আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যিজনে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়ে আৰু পুৰস্কৃত কৰে, তেওঁ নিশ্চয়ে আপোনাক আশীৰ্বাদ কৰিব। তেওঁ নিজৰ ডেউকাৰে তোমাক আৱৰি ৰাখিব (গীতমালা ৯১ঃ৪)

আপোনাৰ দুখ-কষ্টৰ সময় পাৰ নোহোৱালৈকে সাহসী হওঁক আৰু ভয় নকৰিব; আপদবোৰ শেষ নহয় মানে, তেওঁৰ ডেউকাৰ ছাঁত আশ্ৰয় লওক (গীতমালা ৫৭ঃ১) ঈশ্বৰৰ পৰাক্ৰমী হাত আপোনাৰ লগত থাকিব।

বিভিন্ন বাধাবোৰৰ মাজতো, তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰপৰিচৰ্য্যা সমূহৰ প্ৰত্যেক বিভাগ পদ্ধতি অনুসাৰে আমি চলাই আছো। ঈশ্বৰে নতুন নতুন আত্মাবিলাকক প্ৰতিদিনে যোগায় আছে। আনহাতে শত্ৰু দ্বাৰাই পোৱা অতিশয় বোজাবোৰ আমাৰ সমৰ্থৰ বাহিৰত গৈ আছে। ঈশ্বৰক প্ৰশংসা কৰো কিয়নো এই সমস্যাবোৰৰ পৰা আমি ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই জয়যুক্ত হৈছো। আমিও আপোনালোকৰ দৰে আৱেগিক মানুহ। দয়া কৰি আপোনাৰ নিৰন্তৰ প্ৰাৰ্থনাত আমাক সোঁৱৰণ কৰক। আপোনাৰ প্ৰাৰ্থনা আৰু সহায়ৰ বাবে আমি কৃতজ্ঞ।



ৰেভাঃ ডাঃ কে. আৰ. ৰাজাচেকৰান

ঈশ্বৰে আচৰিতভাৱে ৰেভাঃ ডাঃ কে. আৰ. ৰাজাচেকৰান আৰু ডাঃ এ, ৰিচাৰ্ড চামুৱেলক সঠিক সময়ত আমাৰ সৈতে লগ পোৱাই দিলে। ঈশ্বৰ ভাল। সকলো প্ৰশংসা আৰু মহিমাক ঈশ্বৰলৈ আগবঢ়াওঁ। অভিনন্দন! প্ৰিয় ভাইসকল ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।!!



ডাঃ এ. ৰিচাৰ্ড চামুৱেল

যোৱা আগষ্ট মাহৰ ৬ আৰু ৭ তাৰিখে আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ কেন্দ্ৰ মণ্ডলীত আমাৰ ৫৪ তম্ বছেৰেকীয়া সভাখন আৰু নতুন কৰ্মীসকলক গ্ৰহণ কৰা উপাসনা কাৰ্য্যসূচী পতা হৈছিল। চেন্নাইৰ আমাৰ জ্যেষ্ঠ পালক আৰু আমাৰ বন্ধু পালক এচ, আব্ৰাহামক ঈশ্বৰে ইয়াত পৰাক্ৰমেৰে ব্যৱহাৰ কৰিলে। মোৰ কন্যা এঞ্জলিনে তেওঁৰ বাৰ্তাক তামিলৰ পৰা ইংৰাজী ভাষালৈ অনুবাদ কৰিলে। ভনী, ৰীমা, গেথচি এলেক্স চামচন, ভাই, জে, চামুৱেল আৰু ভনী,

এচ, কাম্বাক তেওঁৰ আহ্বান প্ৰতিধ্বনিৰ পৰিচৰ্য্যাত স্থায়ীভাৱে গ্ৰহণ কৰা হ'ল। আমাৰ প্ৰিয় আৰু সন্মানীয় ভাই, কে, পুৰষ্টিভেনথান, এ, এডৱাৰ্ড দুৰাই, এ, এলভিন, কে, অব্ৰাহাম আৰু ভনী, ধানালক্ষ্মী চিন্নাইহা, এই লোকসকলক তিনি বছৰৰ বাবে বৰ্ডৰ মেম্বাৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। আমি দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে ভৱিষ্যতে ঈশ্বৰে আমাৰ পৰিচৰ্য্যাক দ্বিতীয় পৰ্য্যায়লৈকে লৈ যাব। প্ৰভুৰ পুনৰ আগমনলৈকে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহক তেওঁ বাহাল ৰাখক আৰু চলাই নিয়ক। আমাক দৃঢ় ভাৱে সমৰ্থন কৰা আপোনালোকৰ প্ৰত্যেককে প্ৰভুৱে প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰক। যোৱা ৫৩ বছৰ ধৰি আমাৰ পৰিচৰ্য্যাত আমাৰ সৈতে যাত্ৰা কৰা লোক সকলোকে শুভেচ্ছা জনোৱাত আৰু আশীৰ্বাদ কৰাত আমি আনন্দ পাওঁ। আমাৰ এজন বন্ধু ভাই, কেনে তেওঁৰ ই-মেইলত এইদৰে বাৰ্তা প্ৰেৰণ কৰিছে, "প্ৰিয় ভাই চাম, ৫৪ বছৰ-এইটো আচৰিত কথা!" এই বাক্যই আমাৰ হৃদয়ক চুলেঁ৪! আমাৰ প্ৰভু যীচু খ্ৰীষ্টক প্ৰশংসা কৰো।!!! আমাৰ পৰিচৰ্য্যাৰ আৰম্ভণিৰ পৰা জড়িত থকা লোক সকলক আৰু নতুনকৈ আমাৰ পৰিচৰ্য্যাত যোগদান। "ঈশ্বৰ বিশ্বাসী তেৱেঁই আপোনালোকক তেওঁৰ পুত্ৰ, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ সহভাগিতা লাভৰ কাৰণে আমন্ত্ৰণ কৰিছে ১ কৰিন্থীয়া ১ঃ৯।

এই মহান উপলক্ষৰ সময়ত আমাৰ ৱৰ্ড মেম্বাৰৰ প্ৰত্যেকক, মণ্ডলীৰ বিশ্বাসী আৰু চলাওতা সকলক, আলোচনী পঢ়ুৱৈসকলক, সহকাৰী সম্পাদক সকলক, জীৱন অংশীদাৰসকলক, চাবচক্ৰাইব অংশীদাৰসকলক, মহান অংশীদাৰসকলক, মিশ্বনেৰীসকলক, শাখা পালক সকলক, ৰাজ্যিক সহ-পৰিচালকসকলক বিদেশী বন্ধুসকলক, সহকৰ্মী সদস্যসকলক, চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু অফিচ আদিৰ কৰ্মীসকলক আমি কৃতজ্ঞতাৰ সৈতে শুভেচ্ছা জনাইছো। প্ৰভু যীচুখ্ৰীষ্টই যিদৰে আমাক ১৯৬৯ চনৰ পৰা চলাই আহি আছে, এই বিষয়ে ভাবিলে আমাৰ হৃদয়খন তেওঁত উপচি পৰে।!

আপোনালীকৰ সকলোকে প্ৰভুৱে আশীৰ্বাদ কৰক। আমেন।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**
(+91) 98412 71858 / 98410 71858,
E.mail : samselvaraj333@gmail.com

---

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

কাৰো তলতীয়া নহয়, কোনো কাৰো ওপৰৱালা নহয়। মোচি এজন খোনা মানুহ আছিল আৰু বাধ্য আছিল। তেওঁ এজন যুঁজাৰু, মহাবলী আৰু শক্তিশালী আছিল। তেওঁৰ বহুত গুণ আছিল। তেওঁৰ মনোযোগ আনিবৰ বাবে এজোপা জ্বলি থকা গছৰ প্ৰয়োজন আছিল। অৰণ্যৰ মাজত এজোপা গছ জ্বলি আছিল কিন্তু জ্বলি ছাই হৈ যোৱা নাছিল; চাৰিওফালে কোনো নাছিল; তেওঁৰ মাত তাৰ পৰা ওলাই আহিল, "মোচি, মোচি!" যিকোনো মানুহেই এনে পৰিস্থিতিৰ সন্মুখীন হ'লে ভয় খালেহেঁতেন। ঈশ্বৰে যদি মোচিক এইদৰে কোৱা হ'লে, "অনুগ্ৰহ কৰি মিচৰৰ পৰা মোৰ সন্তানবিলাকক বন্দী অৱস্থাৰ পৰা উলিয়াই আনাগৈ," নিশ্চয়ে তেওঁ এই প্ৰস্তাৱ গ্ৰহণ নকৰিলেহেঁতেন। তেওঁৰ বাবে প্ৰথমে ঈশ্বৰৰ ভয়ানক শক্তিক উপলব্ধি কৰাটো প্ৰয়োজন আছিল।

কিন্তু যিহোচুৱা এজন শান্ত স্বভাৱৰ লোক আছিল। ঈশ্বৰৰ বাক্য শুনিবলৈ তেওঁৰ হৃদয় খোলা আছিল। গতিকে ঈশ্বৰে মোচিক তেওঁৰ ঠাইত নিযুক্তি কৰিবলৈ তেওঁক পোনপটীয়াকৈ ক'লে।

যেতিয়া আপুনি তেওঁৰ বাধ্য হ'ব, আপুনি তেওঁৰ আশীৰ্বাদবোৰক উপলব্ধি কৰিব। ঈশ্বৰে সময়মতে সকলো কৰে। আমি সকলোবোৰ সোনকালে হোৱাটো বিচাৰো। আমাৰ বেগ আৰু ঈশ্বৰৰ সময় একেলগে সন্মত নহয়। সেইকাৰণে, মানুহৰ জীৱনত এনে পলম বহুত আছে, যেনেঃ পঢ়া-শুনা শেষ কৰাত পলম, ৰোগৰপৰা আৰোগ্য পোৱাত পলম, তেওঁলোকৰ ব্যক্তিগত জীৱনত আশীৰ্বাদবোৰ পোৱাত পলম ইত্যাদি। যেতিয়া এনে ঘটিব ধৰে ইয়াৰ অৰ্থ এইয়ে নহয় যে ঈশ্বৰে আমাক পাহৰিছে। পৰিৱৰ্তে ঈশ্বৰে এক মহৎ কাম কৰিব লৈছে। তেওঁৰ শক্তিশালী বাহুত নিজকে আমি নম্ৰ কৰা উচিত। তেতিয়াহে ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰিব আৰু আপুনি হেৰুওৱা সকলো বস্তুক পুনৰায় ঘূৰাই পাব - আনকি আপোনাৰ স্বাস্থ্যও,! ঈশ্বৰৰ দ্বাৰাই আপোনাৰ আয়ুসকো বঢ়োৱা হ'ব।

যেতিয়াই এজন মানুহক ঈশ্বৰে দাসত্বৰ পৰা, দৰিদ্ৰতাৰ পৰা আৰু অভাৱৰ পৰা উদ্ধাৰ কৰে, তেওঁ তেওক ৰজাবিলাকৰ আগত থিয় কৰায়। যিহোচুৱাক জয়যুক্ততালৈ পৰিৱৰ্তন কৰা হৈছিল আৰু বহু বছৰ ধৰি এজন বিচাৰকৰ্তা হৈছিল।

## ১। ধনাত্মক বিশ্বাসৰ বাক্য

যদি ঈশ্বৰে কিছুমান অতি প্ৰাকৃতিক কাৰ্য্য কৰিবলগীয়া আছে, আমি তেওঁৰ বাক্য আৰু প্ৰতিজ্ঞাত বিশ্বাস কৰিব লাগে। যেতিয়া আমি গণনা পুস্তকৰ ১৩ আৰু ১৪ অধ্যায় পঢ়ো আমি পাওঁ যে কনান দেশলৈ গৈ বাস কৰিব পৰা যায় যে নাযায় তাক চোৰাংচোৱা কৰিবলৈ ইস্ৰায়েলৰ সন্তানবিলাকৰ প্ৰধান লোকবিলাকক পঠিয়ালে। যেতিয়া তেওঁবিলাক ঘূৰি আহিল তেওঁবিলাকে এই সম্বাদ দি ক'লে যি লোকবিলাক তাত বাস কৰি আছে তেওঁবিলাক বৰ বলী আৰু প্ৰকাণ্ড। গতিকে তালৈ যোৱাটো অসম্ভৱ। যিহোচুৱায়ো কনান দেশলৈ গৈ চোৰাংচোৱাগিৰি কৰিবলৈ গ'ল। এইজন মানুহেও গৈ দেখিলে যে সেই মানুহবোৰ ইস্ৰায়েল লোকসকলতকৈ ওখ আৰু বলী। কিন্তু তেওঁ সেইবিলাকলৈ কোনো গুৰুত্ব নিদিলে, তেওঁ ক'লে, "...যি দেশ চাবলৈ দেশৰ মাজেদি গৈছিলো সেই দেশ যাৰ নাই উত্তম... গাখীৰ, মৌজোল বোৱা সেই দেশ..." গণনাপুস্তক (১৪ঃ৭,৮)। তেওঁ এটা ধনাত্মক ৰিপৰ্ট দিলোহি।



যেতিয়া আমাৰ পুৰণি গীৰ্জাঘৰটো ভাঙো ভাঙো অৱস্থাত আছিল, আমাৰ হাতত ইয়াক সাজিবলৈ ধন নাছিল। আমাৰ কাৰ্যালয়ৰ বাবে ঠাই নাছিল আৰু উপাসনা কৰিবলৈকো অসুবিধা হৈছিল। আমাৰ বাবে সকলো কাৰ্য্য কৰিবলৈ ঈশ্বৰলৈ বিশ্বাস কৰিলো -বিশ্বাসৰ ধনাত্মক বাক্য আহিল। "ছমাহৰ ভিতৰত, এটি গীৰ্জাঘৰ বনোৱা হ'ব, এটা ছপাশাল চলোৱা হ'ব-গৃহটি বৰ ধুনীয়া হ'ব।' আমাৰ হাতত ধন আছিলনে? কোনোবাই আমাক বৰঙণি দিবলৈ প্ৰতিজ্ঞা কৰিছিলনে? কোনোবাই আমাক ধন দিছিলনে? কোনেও দিয়া নাছিল। কিন্তু যেতিয়া আমি বিশ্বাসেৰে কাম আৰম্ভ কৰিলো নিৰ্মাণ কাৰ্য্য চলি থাকিল আৰু আমাৰ প্ৰয়োজনীয় বিলাক পোৱা গ'ল। গৃহটি পৰিকল্পনামতে সঠিক সময়ত গঢ়ি উঠিল। এটা ধুনীয়া ওখ গৃহ আমি আজি দেখিবলৈ পাইছো ঈশ্বৰে যোগাব। আপোনাৰ ধাৰবোৰ শুজা যাব, আপোনাৰ চকুলো নাইকীয়া হ'ব, কষ্টকৰ দিনবোৰ গুচি যাব, ঈশ্বৰে ইয়াক দেখিব।

## ২। সহকাৰী যিহোচুৱা

যিহোচুৱা মোচিৰ সহকাৰী আছিল। যদি আপুনি ভাবো যে ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰিব, তেন্তে আপোনাৰ মনত সেৱা কৰাৰ আত্মা থাকিব লাগিব। কেৱল তেনে লোকবিলাককহে ওখ স্থানলৈ তোলা হয়। যেতিয়া আপুনি আমাৰ ৰাষ্ট্ৰীয় নেতাসকলক দেখে, তেতিয়া আপুনি ভাবিব পাৰে যে তেওঁলোকে সেই স্থান সহজতে লাভ কৰিছে। কিন্তু যদিহে আপুনি ওচৰৰ পৰা তেওঁলোকৰ জীৱনলৈ চাই, আপুনি অনুভৱ কৰিব যে সেই স্থান পাবলৈ তেওঁলোকে বহুখিনি ত্যাগ দিয়ে। তেওঁলোকৰ ত্যাগৰ জীৱন দেখি ঈশ্বৰে



তেওঁলোকক ওখ স্থানলৈ তুলিলে ঈশ্বৰে যি কয়, তাক পৰিপূৰ্ণ কৰিব। "...ইস্ৰায়েলৰ ঈশ্বৰ ধন্য, ...আৰু নিজ হাতেৰে নিজৰ এই বাক্য সিদ্ধও কৰিছিল" (২ বংশাৱলী ৬:৪)।

"... যিকোনোৱে তেওঁলোকৰ মাজত মহান হ'বলৈ ইচ্ছা কৰে, তেওঁ তোমালোকৰ পৰিচাৰক হওক" (মথি ২০:২৭)। যদি কোনোবা মহান হ'ব বিচাৰে, তেওঁক প্ৰথমতে আপোনাৰ সেৱা কৰিবলৈ দিয়ক আৰু তেতিয়া ঈশ্বৰে তেওঁক আশীৰ্বাদ কৰিব আৰু তেওঁক এজন মহান চলাওঁতা বনাব।

১৯৬৯ চনত মই 'ভাৰু গায়িন থুথান' নামৰ তামিল আলোচনীখনৰ সম্পাদক ভাই এচ. দেৱাদাসনৰ অধীনত কাম কৰি আছিলো। যেতিয়া মই কামত যোগদান দিছিলো, মোক কৰিবলৈ দিয়া প্ৰথম কামটো আছিল অফিচ চাফা কৰা আৰু টেবুল-চকী চাফা কৰা। কোনো সংকোচ নকৰাকৈয়ে মই সেই কাম আনন্দৰে গ্ৰহণ কৰিলো। মই কাৰ্য্যালয়ৰ মজিয়াও সাৰিলো। দিনবোৰ পাৰ হৈ গ'ল মাহবোৰ পাৰ হ'ল-বছৰবোৰ পাৰ হ'ল-মই মোৰ কাম একেৰাহে কৰি গ'লো। এদিনাখন সম্পাদকজনে মোৰ ওচৰলৈ আহি কাৰ্য্যালয়ৰ সকলো দায়িত্ব আৰু চাবি মোৰ হাতত দিলে, আৰু মোক ক'লে, "ঈশ্বৰৰ আত্মা তোমাৰ ওপৰত আছে, সকলোৰে ওপৰত কেৱল তুমিয়েই এজন জ্ঞানী আছা।" ঈশ্বৰে সেই সম্পাদকজনৰ মনত মোৰ স্থান উন্নত কৰিবলৈ ক'লে। তেওঁৰ অভিষেক আৰু প্ৰেম মোৰ ওপৰলৈ আহিল আৰু মই এজন ঈশ্বৰৰ দাস হ'লো। আমি সেৱা কৰা আত্মাৰে পৰিপূৰ্ণ হোৱা উচিত।

আজিকালি, বহুতো মানুহে ডাঙৰ প্ৰচাৰক আৰু চলাওতা হ'বলৈ আগবাঢ়ি আহে। কিন্তু তেওঁলোকে এজন আত্মিক পৰিপক্ক জীৱন থকা ঈশ্বৰৰ দাসৰ অধীনত প্ৰশিক্ষণ ল'ব নিবিচাৰে। আত্মিক জীৱনৰ বিষয়ে প্ৰকৃত জ্ঞান নোলোৱাকৈয়ে বহুতেই ৰেভাঃ ড°, বিশ্বপ, পালক, ঈশ্বৰৰ পৰা বৰ পোৱা লোক, আন্তৰ্জাতিক বাৰ্তাবাহক ইত্যাদি বুলিব বিচাৰে। এই মানুহবিলাকেই ফটকৈ কিছুমান পৰীক্ষা, অসুবিধা বা দুখ-কষ্টত পৰি তেওঁবিলাকৰ আত্মিক জীৱন হেৰুৱায় দিয়ে। ই অতি আৱশ্যক যে প্ৰত্যেকেই ঈশ্বৰৰ আত্মিক আৰু পবিত্ৰ দাসৰ অধীনত পৰিচৰ্য্যা কৰা উচিত আৰু ভদ্ৰ চৰিত্ৰ, অভ্যাস আৰু ঐশ্বৰিক স্বভাৱ শিকি নিজৰ জীৱনত এই ভাল গুণবোৰ লৈ পালন কৰিবলৈ চেষ্টা কৰা উচিত।

৬ পৃষ্ঠাত চাওঁক


नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।

माध्यम: हिन्दी

सदस्यता के लिए पंजीकृत उम्मीदवार - ATA

सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान

सर्टिफिकेट इन थियोलॉजी – 1 साल
डिप्लोमा ऑफ थियोलॉजी – 2 साल

योग्यता 10 वी या अधिक
जल्दी करें!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ऑनलाइन कक्षाएं उपलब्ध हैं ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২২ চনৰ ১৯ ছেপ্তেম্বৰৰ পৰা ২০২২ চনৰ ১৮ অক্টোবৰলৈ**

## প্ৰশংসাৰ বিষয়সমূহ

ছেপ্তেম্বৰ ১৯ ঃ ১৯৬৯ চনৰ পৰা আলোচনী পৰিচৰ্য্যালৈ আমাৰ অঙ্গীকাৰৰ ওপৰত তেওঁৰ আশীৰ্বাদ।

ছেপ্তেম্বৰ ২০ ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীসকলক যোগোৱাৰ বাবে।

ছেপ্তেম্বৰ ২১ ঃ আমাৰ ছপাশালত ১৬ টা ভাষাত আলোচনী ছপা কৰাত, পাব্লিচ কৰাত আৰু মিশ্বন ফিল্ডত পঠোৱাত সমৰ্থ কৰাৰ বাবে।

ছেপ্তেম্বৰ ২২ ঃ আমাৰ কৰ্মচাৰী সকলৰ পৰিয়ালবৰ্গৰ ওপৰত আশীৰ্বাদ কৰাৰ বাবে।

ছেপ্তেম্বৰ ২৩ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবচক্ৰাইবিং অংশীদাৰ, জীৱন অংশীদাৰ, মহান আজ্ঞা, অংশীদাৰ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

ছেপ্তেম্বৰ ২৪ ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধি বাবে।

ছেপ্তেম্বৰ ২৫ ঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত আশীৰ্বাদৰ বাবে।

ছেপ্তেম্বৰ ২৬ ঃ আমাৰ কেন্দ্ৰ মণ্ডলী, শাখা মণ্ডলী আৰু ইয়াৰ বিশ্বাসীসকলৰ বাবে।

ছেপ্তেম্বৰ ২৭ ঃ আমাৰ পাব্লিকেশ্বন পৰিচৰ্য্যাৰ বাবে ৰেভাঃ নতুন সহকাৰী সম্পাদক ডাক্টৰ কে, আৰ, ৰাজেচকৰোনক যোগোৱাৰ বাবে।

ছেপ্তেম্বৰ ২৮ ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ শিক্ষক আৰু আন আন সকলৰ বাবে।

ছেপ্তেম্বৰ ২৯ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাসমূহৰ কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ নিৰাপত্তাৰ বাবে।

ছেপ্তেম্বৰ ৩০ ঃ জুলাই মাহত আমাৰ প্ৰয়োজনীয়সমূহ যোগাই দিয়াৰ বাবে।

অক্টোবৰ ১ ঃ থিয়'ল'জিকেল চেমিনাৰ নিয়মীয়াকৈ আয়োজন কৰিবলৈ আমি সমৰ্থ হোৱাৰ বাবে।

অক্টোবৰ ২ ঃ আমাৰ বহুধৰণৰ পৰিচৰ্য্যাসমূহৰ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আমাৰ জ্যেষ্ঠ পালকৰ অঙ্গীকাৰৰ বাবে।

অক্টোবৰ ৩ ঃ আমাৰ মণ্ডলীত নতুন বিশ্বাসীসকলৰ সৈতে আশীৰ্বাদপ্ৰাপ্ত হোৱাৰ বাবে।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

অক্টোবৰ ৪ ঃ ঈশ্বৰৰ প্ৰতি আমাৰ সকলো দেশৰ বিশ্বাসীসকলৰ মাজত অখণ্ডতা।

অক্টোবৰ ৫ ঃ আমাৰ অনুষ্ঠান, সকলো কৰ্মী আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গৰ আশীৰ্বাদৰ বাবে।

অক্টোবৰ ৬ ঃ আমাৰ জ্যেষ্ঠ পালকৰ আত্মজীৱনীখন লিখি সময়ত ঈশ্বৰৰ মহানুভৱৰ অনুমতি পাবলৈ।

অক্টোবৰ ৭ ঃ সকলো ধৰ্ম আৰু দেশসমূহৰ মাজত একতাৰ বাবে।

অক্টোবৰ ৮ ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল (গ্ৰাম্য উচ্চ মাধ্যমিক বিদ্যালয়ত) নতুন নতুন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰিবলৈ।

অক্টোবৰ ৯ ঃ আমাৰ অংশীদাৰসকল, ৰাজ্যিক পৰিচালকসকল

অক্টোবৰ ১০ ঃ আমাৰ শুভবাৰ্তা ছপাশালৰ আশীৰ্বাদৰ বাবে।

অক্টোবৰ ১১ ঃ গোটেই পৃথিৱীৰ মানুহবিলাকৰ নিৰাপত্তাৰ বাবে।

অক্টোবৰ ১২ ঃ এই মাহত আমাৰ সকলো প্ৰয়োজনীয় বস্তুবিলাক পাবৰ বাবে।

অক্টোবৰ ১৩ ঃ নিচাসক্ত আৰু কুকৰ্ম কৰা লোকসকলক মন পালটন কৰাবলৈ লগ পাবৰ বাবে।

অক্টোবৰ ১৪ ঃ এই পৃথিৱীৰ সকলো মহিলা শিশুবিলাকৰ নিৰাপত্তাৰ বাবে।

অক্টোবৰ ১৫ ঃ এই পৃথিৱীত ঈশ্বৰৰ ৰাজ্য নিৰ্মাণ কৰিবলৈ আমাক নিৰ্দিষ্ট দৰ্শন দিব লাগে।

অক্টোবৰ ১৬ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাসমূহৰ যুৱক-যুৱতী আৰু থকা পৰিচৰ্য্যাকাৰী।

অক্টোবৰ ১৭ ঃ ভাৰতৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত যাবলৈ।

অক্টোবৰ ১৮ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গৰ সুস্বাস্থ্যৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

প্ৰভুৱে মোৰ পৰিচৰ্য্যাৰ জীৱনত, মই তলত উল্লেখ কৰা তিনিটা ভাল গুণ স্বৰ্গীয় পালক এচ. দেৱাদাসন (ভাৰু গায়িন মুথান) ৰ পৰা শিকিছিলো।

### ক) সময়মতে চলাঃ

'প্ৰাধান্য' নিয়মৰ অধীনত যিকোনো কাৰ্য্য সময়মতে কৰিব লাগে। যেতিয়াই আমি আমাৰ কৰ্তব্য পালন কৰিবলৈ যাওঁ, আমি সদায় মনত ৰখা উচিত যে প্ৰকৃতিৰ বাধা যেনেঃ বৰষুণ নতুবা বতাহ আৰু যান-জঁটৰ বাধা আহিব পাৰে আৰু সেয়েহে, আমি কিছু সময় আগতীয়াকৈ উলিয়াই (কোমল সময়) যাত্ৰা কৰিব লাগে। আমি কেতিয়াও পলমকৈ কৰ্মস্থলীয়েই হওক বা গীৰ্জাই হওক যাব নালাগে। যদি আমি পলম কৰো তেন্তে আমি নিশ্চয়ে বিফলতাৰ সন্মুখীন হ'ম।

### খ) দায়িত্বঃ

আনকি সাধাৰণ কাৰ্য্য কৰিলেও গুৰুত্ব সহকাৰে কৰিব লাগে। 'যিয়েই নহওক শুদ্ধকৈ কৰা উচিত।' তামিলত এষাৰ যোজনা আছে, যিবিলাকে গুৰুত্বপূৰ্ণ দায়িত্ব লৈ আছে, তেওঁলোকৰ ওপৰত ভাৰষা কৰা মানুহবিলাকৰ প্ৰয়োজনীয়তাবোৰক মনত ৰখা উচিত। এইয়াই এটা হুকুম;

১। আমি যিকোনো কাৰ্য্য কৰোতে, আমি আমাৰ জ্ঞান আৰু বিবেকেৰে কৰিব লাগে।

২। আমি আমাৰ দক্ষতা আৰু জ্ঞান ব্যৱহাৰ কৰি আৰু ঈশ্বৰলৈ ভয় কৰি সকলো কাম দৃঢ় মনেৰে কৰিব লাগে।

উদাহৰণস্বৰূপে, কিছুমানৰ নিজৰ ভুলটোক চোৱাৰ অভ্যাস নাই। তেওঁবিলাকে তেওঁবিলাকৰ কাৰ্য্যৰ বিষয়ে অলপহে যত্ন লয়। এই মানুহবিলাকে ভাবে "মোৰ ওপৰত থকা লোকজনে মোৰ ভুলবোৰক ধৰাত যথেষ্ট জ্ঞানী, মই সেইবোৰক পাছত শুদ্ধৰাই ল'ম।" এইটোৱেই এটা ভয়ানক মনৰ ভাৱ। আমাৰ সকলো কাৰ্য্য শুদ্ধভাৱে কৰিবলৈ আমাৰ বিবেক থকা উচিত। যদিহে কিবা প্ৰকাৰে ভুল হৈ যায় তেন্তে তাৰ বাবে আমি লজ্জিত হ'ম আৰু পুনৰায় যেন এনে নঘটে তাৰ বাবে আমি ঠিৰাং কৰিব লাগে।

### গ) লিপ্তঃ

যিকোনো কৰ্তব্য সম্পাদন কৰোতে নিজেও তাত স্পৰ্শ কৰিব লাগে। যদিহে আপুনি ভাবে, "এইটো মোৰ কাম নহয়; এইটো মোৰ ব্যক্তিগত সম্পত্তি নহয়; এই অনুষ্ঠানটোৰ লাভ বা লোকচানৰ বিষয়ে মই চিন্তা নকৰো", তেন্তে নিশ্চয়ে আপুনি এজন ব্যৰ্থ লোক।'

আপুনি এটা অনুষ্ঠানৰ এজন জমীদাৰ হ'ব পাৰে নতুবা এজন উচ্চ পদস্থ বিষয়া হ'ব পাৰে। আপোনাৰ কাৰ্য্যত আপুনি আগ্ৰহ দেখুৱাব লাগে আৰু তাত আপোনাৰ সম্পূৰ্ণ আত্মা আৰু হৃদয়েৰে লিপ্ত হোৱা উচিত। তেতিয়াহে আপুনি আপোনাৰ জীৱনত উচ্চ স্থানলৈ যাব পাৰিব।

সদায় বৃদ্ধলোকৰ পৰা শিক্ষা লোৱাটো ভাল।

## ৩। যিহোচুৱাক ক্ষমতাৰ দ্বাৰাই বন্ধা হৈছিল

অমালেকে আহি ৰফীদীমত ইস্ৰায়েলবিলাকৰ সৈতে যুদ্ধ কৰিছিল (যাত্ৰাপুস্তক ১৭ঃ৮)। মোচিয়ে যিহোচুৱাক কিছুমান মানুহক গোটাই অমালেকৰ সৈতে যুঁজ কৰিবলৈ ক'লে। যিহোচুৱাই তৎক্ষণাত মোচিৰ আদেশ পালন কৰি যুদ্ধক্ষেত্ৰত নামিল। এনে বহুত মানুহ আছে যিবিলাকে চলাওতা বা ঈশ্বৰৰ বাধ্য নহয়! কেৱল যিলোকে তেওঁবিলাকৰ চলাওঁতা আৰু ঈশ্বৰৰ অধীনত বাধ্য হৈ চলে, তেওঁ বিলাকহে ভাল চলাওঁতা হ'ব আৰু ক্ষমতা পাব। যিহোচুৱাই তেওঁৰ চলাওঁতাক সন্মান কৰিছিল। যেতিয়া মোচিয়ে তেওঁক যুদ্ধলৈ যাব কৈছিল, তেওঁ তৎক্ষণাত যুদ্ধ-ক্ষেত্ৰলৈ গ'ল। তেওঁ এইদৰে কোৱা নাছিল যে তেওঁৰ সৈনিকৰ প্ৰশিক্ষণ নাই নতুবা যুদ্ধক্ষেত্ৰৰ পৰা পলাই হাত সাৰিব নিবিচাৰিলে। তেওঁ তৎক্ষণাত পালন কৰিলে।

## ৪। যিহোচুৱাই তম্বুক সমাদৰ কৰিলেঃ

যিহোচুৱা এজন ভাল চলাওতা আছিল। এজন মানুহ, যিজনক ঈশ্বৰে প্ৰেম কৰিছিল। তেওঁ তম্বুক প্ৰেম কৰিছিল (ঈশ্বৰৰ মন্দিৰ)। "...কিন্তু তেওঁৰ ডেকা পৰিচাৰক, নুনৰ পুত্ৰ যিহোৱাই তম্বুৰ ভিতৰৰ পৰা নাহে" (যাত্ৰা পুস্তক ৩৩ঃ১১)। যিবিলাকে মণ্ডলীক আৰু মণ্ডলীৰ বিভিন্ন পৰিচৰ্য্যাক প্ৰেম কৰে, ঈশ্বৰে তেওঁবিলাকক তোলে। চলাওতাবিলাকে মানুহবিলাকক গীৰ্জালৈ যাবলৈ উদ্‌গাব লাগে। ঈশ্বৰে মণ্ডলী ভিৰ হোৱাটো

*৯ পৃষ্ঠাত চাওঁক*


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

ECHO OF HIS CALL (ECHO GROUP)

ATA NEHEMIAH BIBLE COLLEGE CHENNAI — Regd. Candidate for Membership — ECHO OF HIS CALL ★ Estd. 1969

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

**প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া**

**ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া**

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক

নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## অনুগ্ৰহ কৰি আমাৰ মুখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা : ২৪ ঘণ্টা
২। বিব্লিকৰ - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। তেওঁৰ আহবানৰ প্ৰতিধ্বনি আলোচনী ঃ ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাবী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান
৪। নহিমিয়া বাইবেল কলেজ ( দুটা শাখা) (সন্ধ্যা/বাসগৃহ)
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল (পালকসকলৰ নেটৱৰ্ক)
৭। প্ৰশিক্ষণ কাৰ্য্যসূচী।
৮। পৰিচৰ্য্যা আৰু সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা-স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্তা মুদ্ৰণ-ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য উচ্চ মাধ্যমিক বিদ্যালয়
১২। দেওবৰীয়া স্কুল। ঃ পুৱা ৮.৩০ দেওবাৰ
১৩। তামিল উপাসনা ঃ পুৱা৫.০০, ৭.০০ আৰু ১০.০০ দেওবাৰ
১৪। হিন্দী উপাসনা। ঃ আবেলি ৫.০০ দেওবাৰ
১৫। তেলেগু উপাসনা ঃ আবেলি ৪.০০ দেওবাৰ
১৬। ইংৰাজী আৰু তামিল সেৱা ঃ সন্ধ্যা ৬.০০ বজাত দেওবাৰ
১৭। পালকসকলৰ পৰামৰ্শ ঃ আবেলি ৪.০০ বজাত দেওবাৰ
১৮। মহিলাসকলৰ প্ৰাৰ্থনা সভা ঃ সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
১৯। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন ঃ সন্ধ্যা ৬.৩০ বজাত বুধবাৰ
২০। পুৰুষসকলৰ বিশেষ উপাসনা ঃ গধূলি ৭.০০ বজাত শুক্ৰবাৰ
২১। শিষ্য সকলৰ সভা ঃ সন্ধ্যা ৬.০০ শনিবাৰ
২২। গৃহ সভা ঃ সন্ধ্যা ৬.৩০ সোম , মঙ্গল আৰু বৃহস্পতিবাৰ
২৩। বিশেষ প্ৰভু ভোজ ঃ পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
24। সেৱকসকলৰ সভা ঃ সন্ধ্যা ৫.৩০ বজাত শুক্ৰবাৰ
২৫। অভিভাৱকসকলৰ প্ৰাৰ্থনা। ঃ আবেলি ৪.০০ প্ৰথম দেওবাৰ
২৬। নিশাৰ প্ৰাৰ্থনা। ঃ পুৱা ৯.৩০ প্ৰথম শনিবাৰ
২৭। উপবাস প্ৰাৰ্থনা। ঃ গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
২৮। প্ৰভু ভোজ ঃ দ্বিতীয় দেওবাৰৰ উপাসনাত
২৯। পুৱাৰ উপাসনা ঃ পুৱা ৫.০০ বজাত দৈনিক
৩০। কৰ্মচাৰী সকলৰ আৰাধনা ঃ পুৱা ৯.০০ বজাত দৈনিক
৩১। কাৰ্য্যালয়। ঃ পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ মাহেকীয়া আলোচনীখন বিনামূল্যত পাবলৈ এটা উত্তম সুযোগ পাব

যদি আপুনি আপোনাৰ বন্ধুসকলৰ/ সম্বন্ধীয়সকলৰ ঠিকনাসমূহ আমালৈ ডাকযোগে, পত্ৰ, ই-মেইল, ৱাটছ এপ আৰু ফোনৰ যোগেদি পঠায়, তেতিয়া আমি আমাৰ মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বিনামূল্যত তেওঁলোকলৈ পঠাম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| Account Name | : | ECHO OF HIS CALL EDUCATIONAL TRUST |
| Account Number | : | 1023 2923 805 |
| Bank Name | : | STATE BANK OF INDIA |
| Branch | : | TRIPLICANE, CHENNAI - 600 005 |
| IFSC Code | : | SBIN 0000249 |
| SWIFT Code | : | SBI NIN BB 455 |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

## মোৰ যৌৱন কালৰ আনদিশটো
## The other side of my youth!

মোৰ যৌৱন কালত ঈশ্বৰৰ ৰাজ্যৰ বিষয় বস্তুবিলাকৰ বাবে মোৰ হৃদয়খন ঈশ্বৰৰ সৈতে বহুত ঘনিষ্ঠ হৈ আছিল। ঈশ্বৰলৈ ভয় মোৰ জীৱনৰ শ্বাসৰ দৰে হয় আৰু পবিত্ৰতা মোৰ জীৱনৰ কেন্দ্ৰৰ বাবে হয়। মোৰ হৃদয়ত থকা পৰিকল্পনাক আৰু ঈশ্বৰে মোক চলাই আনিলে। ঐশ্বৰিক বিষয় বস্তুবিলাকত মোৰ জ্ঞান ভোটা আছিল। মোৰ প্ৰাৰ্থনাৰ জীৱন বহুত নিৰন্তৰ আছিল। এই সকলো বিষয়বিলাকৰ মাজতো মই মোৰ জীৱনৰ প্ৰতিটো ক্ষণকেই একডাঙৰ আশীৰ্বাদ বুলি গণ্য কৰিছিলো। মই মোৰ অন্তৰাত্মাত এক নতুন সৃষ্টিক গঠন কৰি ঈশ্বৰৰ বাবে মোৰ আন্তৰিক কিবা দৃঢ়তাপূৰ্ণ বিষয় পৰিপূৰ্ণ কৰিবলৈ মোৰ অন্তৰাত্মাত আৱেগে মোৰ আত্ম উচ্চাকাংক্ষা ধ্বংস হৈ থকাটো মই স্পষ্টকৈ বুজি পাইছিলো। মোৰ এটা লক্ষ্য আৰু এক আত্মা-নিয়ন্ত্ৰণ সহায় আছিল, যাক এই জগতে বুজি পোৱা নাছিল।



ভাই হুইচলি দেৱাদাসন
(হেৰাল্ড অৱ হিজ কামিং)



ৰেভাঃ জন ৰ'চ. কামালাম
(দক্ষিণ ভাৰতৰ মণ্ডলীৰ প্ৰেচবাইটাৰ)



ৰেভাঃ জে. জয়াচন্দ্ৰন
(প্ৰেচবাইটাৰ, এচেম্বলী অৱ গড)



ভাই ডেভিদ ৰেনাগু
(প্ৰচাৰক)

খ্ৰীষ্টৰ শুভবাৰ্তাক কঢ়িয়াই লৈ যোৱাৰ ইচ্ছা মোৰ ভিতৰত সদায় জুইৰ দৰে জ্বলি আছিল। গতিকে মোৰ দৰে একেই চিন্তাধাৰাৰ মোৰ গাঁও নেল্লাৱাইক'নামত থকা চি. এচ. আই, মণ্ডলীৰ মোৰ দৰে চিন্তা-চৰ্চা কৰা বন্ধুসকল আৰু ভাইসকল এচ. আব্ৰাহাম, জে, এলবাৰ্ট দেৱাদাস, পি. চান্দ্ৰাজ, ৰাই থাংগামাণি, এচ. পৌলোচ, জে. জৰ্জ ৰচিনচন, এচ. বেনচন যেচুদাস, ভনীসকল ডি. দেৱী সুশিলা আৰু জে. কানাগাম্মাল এওঁলোক মোৰ কাৰ্য্যত যোগদান কৰিলে। ১৯৬৯ চনৰ আগষ্ট মাহৰ ১০ তাৰিখে ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই ‘গুড নিউজ প্ৰেয়াৰ বণ্ড'ৰ জন্ম হৈছিল। আমি মণ্ডলীসমূহত প্ৰাৰ্থনাৰ সভা আৰু শুভবাৰ্তাৰ সভাৰ আয়োজন কৰিছিলো। তাৰ ফলস্বৰূপে বহুত লোকে ৰক্ষা পাইছিল আৰু আমাৰ পৰিচৰ্য্যাত যোগদান কৰিছিল। সেই সময়ত ভাইসকল যেনে জি. জেযানন্দা পৌলমণি, এ. ছেলভা ৰাজ, হুইচলি দেৱাদাসন, জন ৰ'চ. কামালাম, জে. জয়াচন্দ্ৰন এওঁলোকে মোৰ পৰিচৰ্য্যাত যোগদান কৰিবলৈ আগবাঢ়ি আহিছিল। মই হাৰমণিয়াম বজাইছিলো, হুইচলি দেৱাদাসনে গীতাৰ বজাইছিল, ডেভিদ ৰেনাগু আৰু জন ৰ'চ কামালামে ভায়লিন বজাইছিল আৰু পি. চান্দ্ৰাজে বংগজ বজাইছিল। আমাৰ শুভবাৰ্তাৰ দলে বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি মানুহবিলাকক সভালৈ আনিবলৈ আকৰ্ষণ কৰিছিল। সুললিত গীত-গানৰ লগতে আমি মানুহবিলাকক বিনামূল্য শুভবাৰ্তা প্ৰচাৰ কৰিছিলো।

গ্ৰাম্য মণ্ডলীৰ বাহিৰেও আমি আন আন ঠাইবিলাকত যেনে-থাকালেই, নেয়ুৰ, উদায়াৰভিলাই, কলাশ্বাল, কৰোঙ্গাল, কুব্বিথুৰাই, মাৰ্থাণ্ডাম, কাডামালাইকুন্দু, নাগেৰকইল, মোভাট্ৰমাগাম, পালিয়াৰী, পেচিপাৰাই, কাধাযাৰ, কন্যাকুমাৰী, মুট্টান আৰু ইত্যাদি ঠাইবিলাকত শুভবাৰ্তাৰ আয়োজন কৰিছিলো।



বহুত যুৱক-যুৱতী বৃদ্ধ-বৃদ্ধা আৰু শিশুবিলাকে তেওঁবিলাকৰ জীৱন যীচু খ্ৰীষ্টলৈ দিলে, বিশেষকৈ যুৱক-যুৱতীবিলাকে তেওঁবিলাকত পাপ স্বীকাৰ কৰি ঐশ্বৰিক জীৱন গ্ৰহণ কৰিলে। বহুত ৰোগীয়ে সুস্থতা পালে আৰু ভুতে পোৱা লোকবিলাকেও ৰক্ষা পালে। এইবিলাক দেখি মই এক নতুন উৎসাহ পাইছিলো। মই খালী ভৰিৰে ১৫-২০ মাইল খোজকাঢ়ি পত্ৰিকা বিলাইছিলো। মানুহবিলাকে ভাবিছিল যে মই পগলা হ'লো। কিন্তু মোৰ পিতৃ-মাতৃয়ে মোক এজন ঐশ্বৰিক সন্তান বুলি জানিছিল।

মোৰ প্ৰভুৰ পৰিচৰ্য্যাৰ আৰম্ভণিৰ সময়ত যদিও মোৰ পৰিস্থিতি অনুকূল নাছিল আৰু আনৰ পৰাও উৎসাহ পোৱা নাছিলো, পৰিচৰ্য্যাত সক্ৰিয় হ'বলৈ মই বহুত আগ্ৰহী হৈ আছিলো। এনে পৰিস্থিতিৰ মাজত ঈশ্বৰে মোক ছপা পৃষ্ঠাবোৰৰ যোগেদি মোৰ পৰিচৰ্য্যাত আগবঢ়াই নিলে।

❖❖❖❖❖

....Contd. from page 6

বিচাৰে। এটা মণ্ডলী বাছি লৈ তাৰ সকলো কাৰ্য্যত অংশ গ্ৰহণ কৰক। তেতিয়াহে আপুনি নিবিচাৰাকৈয়ে ঈশ্বৰৰ আশীৰ্বাদবোৰক পাব।

আজিৰ পৃথিৱীত, মানুহে একেলগে জমা হোৱা আৰু একেলগে গীৰ্জাত উপাসনা কৰিবলৈ নিবিচাৰে। কেতিয়াবা বিখ্যাত ঈশ্বৰৰ দাসসকলেও মানুহক গীৰ্জালৈ যাবলৈ উৎসাহ নিদিয়ে। আমি জ্ঞাত যে ঈশ্বৰে আমাক একেলগে গোট খাই গীৰ্জাত উপাসনা কৰাৰ আদেশ দিছে। কিন্তু জনাজাত প্ৰচাৰকসকলে, নিজলৈ আৰু তেওঁলোকৰ পৰিচৰ্য্যালৈ অধিক সঁহাৰি পাবলৈ প্ৰত্যেক দেওবাৰে টি. ভি. চেনেলত কাৰ্য্যসূচী প্ৰচাৰ কৰে। এই প্ৰচাৰকসকল যিসকলে মণ্ডলীৰ আৰু মানুহৰ মাজত দলঙৰ দৰে কাম কৰিব লাগিছিল, তেওঁলোকে কিন্তু মানুহক বিমুখ কৰি বিভাজনৰ সৃষ্টি কৰিছে। অৱশ্যে, এনে কাৰ্য্যসূচীবোৰে বৃদ্ধ আৰু ৰোগী যিসকলে গীৰ্জালৈ যাব নোৱাৰে তেওঁলোকৰ বাবে সহায়ক হ'ব। তেওঁবিলাকে ঘৰতে থাকি কাৰ্য্যসূচীবোৰ চাব পাৰে কিন্তু আনবিলাকে হ'লে গীৰ্জালৈ যাব লাগে। কিন্তু প্ৰচাৰকসকলে বাকী লোকসকলক ক্ষতি নকৰাকৈ গীৰ্জালৈ যাব ক'ব লাগে।

## যিহোচুৱা -সিদ্ধান্ত লোৱাত দৃঢ় আছিল

জটিল সময়তো, যিহোচুৱাই এটা উত্তম সিদ্ধান্ত লৈছিল। যিসকলে উত্তম সিদ্ধান্ত লয় তেওঁলোকক ঈশ্বৰে ওপৰলৈ তোলে। যিহোৱাই ইস্ৰায়েলৰ লোকসকলক কেৱল প্ৰভুৰহে আৰাধনা কৰিবলৈ আৰু তেওঁক এক উদাহৰণৰ দৰে দাঙি ৰাখিবলৈ ক'লে, "...কিন্তু মই আৰু মোৰ পৰিয়ালে হ'লে যিহোৱাৰ আৰাধনা কৰিম" (যিহোচুৱা ২৪:১৫) ঈশ্বৰে মানসিকভাৱে বলৱান আৰু



সাহেৰে সিদ্ধান্ত লোৱা আৰু তেওঁৰ সৈতে থিয় দিব পৰা লোকসকলকহে বিচাৰি আছে।

তাৰোপৰি, যিবিলাকে ঈশ্বৰৰ দৰ্শন পাইছে, তেওঁবিলাকে লাজ নকৰাকৈ বা প্ৰতিঘাত নকৰাকৈ আনক প্ৰত্যাহ্বান জনাব লাগে আৰু মানুহবিলাকক ঈশ্বৰৰ পৰিচৰ্য্যা কৰিবলৈ পথ দেখুৱাব লাগে। আজিকালি দৰ্শনহীন পৰিচৰ্য্যা, আহ্বানৰ অবিহনে, বিশ্বাসৰ অবিহনে আৰু প্ৰকৃত শিক্ষাৰ অবিহনে চলি আছে। গতিকে ৰক্ষা নোপোৱা বিশ্বাসীবিলাকৰ সংখ্যাও বৃদ্ধি হৈ আছে।

আমি কেৱল ঈশ্বৰতহে ভাৰসা ৰাখি আমাৰ জীৱন চলাই যাব লাগে। আমি আমাৰ বিশ্বাসত স্পষ্ট আৰু সত্য হ'ব লাগে। যেতিয়া আমাৰ পৰিচৰ্য্যাত বহুত মানুহে অংশ গ্ৰহণ কৰে আমি ধন লাভৰ কথা চিন্তা কৰিব নালাগে, বৰং আমি তেওঁবিলাকৰ পাপৰ বাবে পাপ স্বীকাৰ কৰাব লাগে আৰু খ্ৰীষ্টৰ দ্বাৰাই দিয়া শিক্ষাবিলাকৰ দৰে পবিত্ৰ জীৱন-যাপন কৰাব লাগে, কিয়নো এই জগতখন প্ৰতিদিনেই বেয়াৰ পৰা আৰু বেয়ালৈ গৈ আছে। এই বিপদজনক মন্দতাৰ মানুহক মুক্ত কৰিবলৈ যিহোচুৱাৰ দৰে দৃঢ় সিদ্ধান্ত লওক। আপোনাৰ জীৱন সম্পূৰ্ণভাৱে পৰিৱৰ্তন হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

❖❖❖❖❖

### গীতমালা ১০৩:১-৫

১। হে মোৰ মন, যিহোৱাৰ ধন্যবাদ কৰা, হে মোৰ অন্তৰত থকাবিলাক, তেওঁৰ পবিত্ৰ নামৰ ধন্যবাদ কৰা।
২। যিজনাই তোমাৰ সকলো অপৰাধ ক্ষমা কৰে, তোমাৰ সকলো ৰোগ সুস্থ কৰে,
৩। যিজনাই তোমাৰ প্ৰাণ বিনাশৰ পৰা মুক্ত কৰে, যিজনাই দয়া আৰু নানা প্ৰকাৰ কৰুণাৰ মুকুটেৰে তোমাক বিভূষিত কৰে,
৪। যিজনাই কুৰৰ পক্ষীৰ দৰে তোমাৰ যৌৱন কাল নতুন হ'ব পৰাকৈ তোমাৰ মুখ উত্তম বস্তুৰে তৃপ্ত কৰে,
৫। হে মোৰ মন, সেই যিহোৱাৰ ধন্যবাদ কৰা আৰু তেওঁৰ সকলো উপহাৰ নাপাহৰিবা।

## জৰুৰী বাৰ্তা

### আপোনাৰ চেল ফোনৰ মেছেজবোৰ

আমি আমাৰ বন্ধুসকলৰ পৰা আমাৰ চেল ফোনৰ যোগেদি প্ৰতিদিনেই অনেক ছবি আৰু অধ্যায় পদবোৰ পাই আছো। অৱশ্যে এই সকলোবোৰ চাবলৈ আমি সমৰ্থ হোৱা নাই। আমাৰ চেল ফোনৰ পৰা এইবোৰ ডিলিট কৰাৰ বাহিৰে আমাৰ কোনো উপায় নাই। সেয়েহে আমি নম্ৰৰে, প্ৰেমেৰে আপোনালোকক নিবেদন কৰো বাইবেল পদবোৰ, সাধাৰণ বাৰ্তা আৰু ছবিবোৰ আমাৰ চেল ফোনত নপঠিয়াব। কিন্তু আপোনাৰ প্ৰাৰ্থনাৰ অনুৰোধবিলাক আৰু বিশেষ বাৰ্তাসমূহ সদায় পঠিয়াবলৈ আদৰণি জনাইছো। এই বিষয়ত আপোনাৰ সহযোগৰ বাবে আমি ধন্যবাদ জনাইছো!

**পালক এচ. চাম, ছেলভা ৰাজ**

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23


# WANTED
## OFFICE STAFF

Echo of His Call requires experienced and dedicated typists and computer operators.

Contact: ECHO OF HIS CALL
Cell : 98412 71858
E.mail : sam@echoofhiscall.org


## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
E.mail : sam@echoofhiscall.org

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.


## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com


**YOU CAN SEND YOUR DONATION ONLINE ALSO**


**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/21-23**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th SEPTEMBER 2022**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**


*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**